...াৰ বাণী

...খ্ৰেহে জীৱন
। কাৰণ জীৱন
ও তেৰেঁই।

— মহাত্মা গান্ধী

# অসম আদিত্য

RNI REGN. No. : ASSA...
epaper.asomad...
Portal : www.asom...
e-mail : asomadity...

স্বাস্থ্য...

তিতা কেৰেলা স্বাস্থ্য...
উপকাৰী। ই ৰোগ প্ৰতি...
বঢ়ায় আৰু বহু ৰোগৰ ...
তিতা কেৰেলাই গাঁঠিৰ...
ডায়েবিয়া আৰু মেদৰ ...

সংখ্যা ২৭৮ ■ ২৫ আহিন, ১৯৪৫ শক ■ শুকুৰবাৰ, ১৩ অক্টোবৰ, ২০২৩ ■ Asom Aditya, Dibrugarh, Friday, October 13, 2023 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটীৰ পৰা প্ৰকাশিত ■

# আছু-এনএছইউআইৰ দখলত কানৈ

## কানৈ কলেজৰ ছাত্ৰ নিৰ্বাচনত সভাপতি পদত স্বৰ্ণালী মহন্ত, সাধাৰণ সম্পাদক পদত মৃগাংক চাণ্ডি...

**ষ্টাফ ৰিপৰ্টাৰ, ১২ অক্টোবৰ ঃ** আজি কানৈ মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা ছাত্ৰ একতা সভা নিৰ্বাচনত সভাপতি পদত এনএছইউআই আৰু সাধাৰণ সম্পাদক পদত আছুৰ সমৰ্থিত প্ৰাৰ্থীয়ে বিজয়ী সাব্যস্ত কৰিছে। ইফালে অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদে দুটা পদতে সীমাবদ্ধ থাকিবলগীয়া হয়। মহাবিদ্যালয়খনৰ ছাত্ৰ একতা সভাৰ ১২ টা পদৰ বিপৰীতে ৭ টা পদতহে নিৰ্বাচন অনুষ্ঠিত কৰে। কাৰণ ৫ টা পদত বিনাপ্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হয়। ইফালে সভাপতি পদত এনএছইউআইৰ সমৰ্থিত প্ৰাৰ্থী স্বৰ্ণালী মহন্ত, উপ-সভাপতি পদত আছুৰ সমৰ্থিত প্ৰাৰ্থী দেবাশীষ দুৱৰা, সাধাৰণ সম্পাদক পদত মৃগাংক চাণ্ডিল্য, সাংস্কৃতিক সম্পাদক পদত জ্যোতিশিখা কাকতি, ছাত্ৰী জিৰণি কোঠা সম্পাদিকা পদত বৃষ্টি গগৈ, শৰীৰ চৰ্চা সম্পাদক পদত কৃপাল শৰ্মা, লঘু ক্ৰীড়া সম্পাদক পদত পৰিতুষ বৰা, গুৰু ক্ৰীড়া সম্পাদক পদত ৰুবুল চুতীয়া, ছাত্ৰ জিৰণি কোঠা সম্পাদক পদত ৰাহুল শ্বাহ বিজয়ী হয়। ইফালে এবিভিপিৰ দ্বাৰা সমৰ্থিত প্ৰাৰ্থী সমাজসেৱা সম্পাদক পদত চামিমা বেগম আৰু সংগীত সম্পাদক পদত মহানন্দ বৰগোহাঁয়ে নিৰ্বাচিত হয়। উল্লেখযোগ্য যে যিসময়ত দেশৰ একাংশ মহাবিদ্যালয়ত ছাত্ৰ একতা সভাৰ নিৰ্বাচনত অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি হৈ শৈক্ষিক পৰিৱেশ বিনষ্ট হৈছে, সেই সময়তে ডিএইছএছ কানৈ (চমুকৈ কানৈ) মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত পৰাজিত প্ৰাৰ্থীসকলে বিজয়ীসকলক হাতে হাত মিলাই, ডিঙিত সাৰটি ধৰি নিজ হাতে বিজয়ীজনক বিজয়ীৰ প্ৰমাণ-পত্ৰ প্ৰদান কৰি শুভেচ্ছা জ্ঞাপন কৰাৰ এক আৱেগিক মুহূৰ্তৰ সাক্ষী হৈ আজি সম্পন্ন হ'ল কানৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচন। কানৈ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ ২০২৩-২০২৪ বৰ্ষৰ নিৰ্বাচন আজি তৃতীয়বাৰৰ বাবে এলএমএছ ছফ্টৱেৰৰ অধীনত ৱেবৱেছ এপ্লিকেশ্যনৰ মাধ্যমত সম্পূৰ্ণ অনলাইন পদ্ধতিত অনুষ্ঠিত হয়। সম্পূৰ্ণ অনলাইন পদ্ধতিত মনোনয়ন পত্ৰ দাখিল, প্ৰত্যাহাৰ, ভোট গ্ৰহণ আৰু ফলাফল ঘোষণা কৰালৈকে সুকলমে নিৰ্বাচন অনুষ্ঠিত হৈ যায়। কানৈ মহাবদ্যিালয়ৰ ছাত্ৰ একতা সভাৰ প্ৰচেষ্টাত কানৈ মহাবিদ্যালয় কৰ্তৃপক্ষই সময়, শ্ৰম আৰু ধনৰ অপচয় বোধ কৰি 'গ্ৰীন ইনিচিয়েটিভ'ৰ অংশ হিচাপে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ডিজিটেল ইণ্ডিয়াৰ সপোন বাস্তৱত ৰূপায়িত কৰিবলৈ ছাত্ৰ একতা সভাৰ নিৰ্বাচন সম্পূৰ্ণ অনলাইন মাধ্যমত অনুষ্ঠিত কৰি আহিছে। উল্লেখ্য যে মহাবিদ্যালয়ৰ অধ্যক্ষৰ উপস্থিতিত পৰাজিত প্ৰাৰ্থীৰ হাতেৰে বিজয়ীজনক জয়ী হোৱাৰ প্ৰমাণ-পত্ৰ প্ৰদান কৰি এক বিৰল আদৰ্শৰে ইতিহাস ৰচি এক আৱেগিক পৰিৱেশৰ সৃষ্টি কৰে আজিৰ এই ছাত্ৰ একতা সভাৰ নিৰ্বাচনে। সৰ্বমুঠ ৭ টা পদৰ বাবে অনুষ্ঠিত এই নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়ায় ১৫ জন প্ৰাৰ্থীয়ে। পুৱা ৯ বজাত অনুষ্ঠিত ম'ক প'লৰ পিছত দিনৰ ১০ বজাৰ পৰা বিয়লি ২ বজাৰ ভিতৰত অনুষ্ঠিত হোৱা ভোটদান প্ৰক্ৰিয়াত মহাবিদ্যালয়ৰ মুঠ ৩,২৪০ গৰাকী ছাত্ৰ-ছাত্ৰীৰ ভিতৰত মুঠ ২,৪৬১ গৰাকীয়ে ভোটদান কৰে আৰু ভোটদানৰ হাৰ আছিল ৭৫.৯৬ শতাংশ। উল্লেখ্য যে ২০১৮ চনৰ পৰা কানৈ মহাবিদ্যালয়ত ডিজিটেল প্লেটফৰ্মৰ যোগেদি অনুষ্ঠিত হৈ অহা নিৰ্বাচনত বিগত বৰ্ষৰ পৰা মনোনয়ন দাখিল প্ৰক্ৰিয়াও অনলাইন মাধ্যমত অনুষ্ঠিত হয়। মহাবিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ পঞ্জীকৃত ম'বাইল নম্বৰত কেৱল এবাৰ ব্যৱহাৰ কৰিব পৰা পাছৱৰ্ডৰ সহায়ত ভোটাৰে বিভিন্ন স্থানৰ পৰা ভোটদান সাব্যস্ত কৰে। এই ব্যৱস্থা প্ৰৱৰ্তনৰ ফলত ভোটদাতা ছাত্ৰ-ছাত্ৰীৰ মাজত ব্যাপক উছাহ, উদ্দীপনা পৰিলক্ষিত হয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ডিজিটেল ইণ্ডিয়াৰ সপোন বাস্তৱত ৰূপায়িত কৰাৰ লক্ষ্যৰে মহাবিদ্যালয়খনৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই প্ৰযুক্তিৰ ব্যৱহাৰেৰে এনে সফলতা অৰ্জন কৰা বাবে ছাত্ৰ একতা সভাৰ নিৰ্বাচনত জড়িত হৈ সহায়-সহযোগিতা আগবঢ়োৱা সকলো অধ্যাপক-অধ্যাপিকাক একোখনকৈ প্ৰমাণ-পত্ৰ প্ৰদান কৰাৰ লগতে শান্তিপূৰ্ণভাৱে নিৰ্বাচন সম্পন্ন কৰাৰ বাবে ছাত্ৰ-ছাত্ৰীসকলক ধন্যবাদ জনায়। উল্লেখ্য যে আজিৰ ২০২৩-২৪ বৰ্ষৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত সভাপতি পদত স্বৰ্ণালী মহন্ত (১,১৯৫), উপ-সভাপতি পদতদেবাশিস দুৱৰা (১,৩৯০), সাধাৰণ সম্পাদক পদত মৃগাংক চাণ্ডিল্য (১,৩৬১), সাংস্কৃতিক সম্পাদক পদত জ্যোতিশিখা কাকতি (১,৪৯৯), সংগীত সম্পাদক পদত মহানন্দ বৰগোহাঁই (১,১৯৭), শৰীৰ চৰ্চা সম্পাদক পদত কৃপাল শৰ্মা (১,২৯৬) আৰু ছাত্ৰী জিৰণি কোঠা সম্পাদিকা পদত বৃষ্টি গগৈ (১,৪৬০) জয়ী হোৱাৰ লগতে বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়লাভ কৰে ক্ৰমে— সহকাৰী সাধাৰণ সম্পাদক পদত সনাতন বৰুৱা, গুৰু ক্ৰীড়া সম্পাদক পদত ৰুবুল চুতীয়া, লঘু ক্ৰীড়া সম্পাদকপদত পৰিতুষ বৰা, সমাজ সেৱা সম্পাদক পদত চামিমা বেগম আৰু ছাত্ৰ জিৰণি কোঠা সম্পাদক পদত ৰাহুল শ্বাহ। উল্লেখ্য যে আজিৰ এই ছাত্ৰ একতা সভাৰ নিৰ্বাচনত পোনপ্ৰথমবাৰৰ বাবে সভাপতি পদত মহিলা প্ৰাৰ্থীয়ে জয়লাভ কৰি এক বিৰল ইতিহাস ৰচনা কৰিলে। আজিৰ এই ছাত্ৰ একতা সভাৰ নিৰ্বাচনটো সুচাৰুৰূপে পৰিচালনা কৰাৰ বাবে মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি অভিমন্যু বৰুৱাই অধ্যক্ষ ড০ শশীকান্ত শইকীয়াক এখন মান-পত্ৰৰে শুভেচ্ছা জ্ঞাপন কৰে। ছাত্ৰ একতা সভা নিৰ্বাচনত প্ৰিজাইডিং অফিচাৰৰূপে কৰ্তব্য পালন কৰা ড০ অনন্ত কুমাৰ দত্তক অধ্যক্ষই ধন্যবাদ জনায়।



### সংবাদমেলত ৰজাভেটা পঞ্চায়ত সভাপ...

# সাংবাদিকৰ বিৰুদ্ধে ব্লেকমেইলিঙৰ অভিযো...

**ষ্টাফ ৰিপৰ্টাৰ, ১২ অক্টোবৰ ঃ** এম জি এন ৰেগা আঁচনিৰ অধীনত আবণ্টিত এটা পথ নিৰ্মাণত দুৰ্নীতি সংঘটিত হোৱা বুলি চলি থকা অপপ্ৰচাৰ সন্দৰ্ভত ডিব্ৰুগড় ৰজাভেটা গাঁও পঞ্চায়তৰ সভাপতি সঞ্জীৱ হাজৰিকাই কালি এক সংবাদমেল অনুষ্ঠিত কৰে। পঞ্চায়তটোৰ অন্তৰ্গত ৭ নং ৱাৰ্ডৰ টিংখাং মাটিকটা ... হোৱাৰ অভিযোগ আনি ডিব্ৰুগড়ৰ এজন... জনমানসত হেয় প্ৰতিপন্ন কৰাৰ অপচে... অভিযোগ আনিছে। আনহাতে, সাংবা... প্ৰশ্নত সভাপতি সঞ্জীৱ হাজৰিকাই সংবা... কৰা সাংবাদিকজনৰ বিৰুদ্ধে গুৰুতৰ ... উত্থাপন কৰিছে। এইজন সাংবাদি...